


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

ইতিহাস

পাঠ - ৫

অসমত ব্ৰিটিছ প্ৰশাসনৰ আৰম্ভণি

অংশ – ১

অনামিকা দাস

পটভূমি

- উত্থান-পতন ইতিহাসৰ চিৰন্তন আৰু চিৰ নতুন ঘটনা ।
- ১৩ শতিকাৰ পৰা ১৯ শতিকালৈকে আহোমসকলে অসমত শাসন কৰিছিল ।
- চ্যুকাফাই আহোম বংশ প্রতিষ্ঠা কৰিছিল; মানৰ অসম আক্রমণৰ পিছত এই বংশৰ অন্ত পৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মানৰ অসম অধিকাৰ কৰা ঘটনাই ব্ৰিটিছসকলৰ অসম অভিমুখী পথ সুগম কৰিছিল।
- আৰাকান, মণিপুৰ, আৰু কাছাৰৰ পিছত মান সকলে অসম দখল কৰিছিল।
- মানৰ সম্প্ৰসাৰণে ব্ৰিটিছৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছিল, যাৰ ফলত ইংগ-মান যুদ্ধ (১৮২৪–১৮২৬ খ্ৰীষ্টাব্দ) হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ব্ৰহ্মপুত্ৰ উপত্যকা (আহোম ৰাজ্য), কাছাৰ, মণিপুৰ, আৰু ব্ৰহ্মদেশত মানসকল পৰাজিত হৈছিল।
- ইয়াণ্ডাবু সন্ধিৰ ফলত অসমত মান শাসনৰ অন্ত পৰিছিল।
- এই সন্ধিৰ দ্বিতীয় অনুচ্ছেদ অনুসৰি অসম, কাছাৰ, জয়ন্তীয়া ৰাজ্যত মানৰ হস্তক্ষেপ নিষিদ্ধ কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াণ্ডাবু সন্ধিৰ ফলত অসম তথা উত্তৰ-পূবত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন আৰম্ভ হয়, এয়া ইতিহাসৰ এক মাইলৰ খুঁটি।
- ম'হগড়ৰ যুদ্ধত আহোম ৰজা চন্দ্রকান্ত সিংহক পৰাস্ত কৰাৰ পিছত মানসকলে ইংৰাজ অধিকৃত উত্তৰ বংগ, গোৱালপাৰা, চিলেট, আৰু চিতাগংগ আক্রমণ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- মণিপুৰ উত্তৰাধিকাৰ সংঘাতঃ ৰাজা জয়সিংহৰ পুত্রসকল—চৌৰজিৎ, মাৰজিৎ, গম্ভীৰ সিং ।
- ১৮১২ চনত মানৰ সহায়ত মাৰজিতে সিংহাসন দখল কৰে।
- চৌৰজিৎ আৰু গম্ভীৰ সিং কাছাৰলৈ পলায়ন কৰে।
- মানসকলে কাচাৰক আক্রমণ কৰিবলৈ সাজু হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



- কাছাৰৰ ৰজা গোবিন্দচন্দ্রই বৃটিছৰ অধীনস্থ চিলেটত আশ্রয় লয় । পিছলৈ চৌৰজিতেও চিলেটত আশ্রয় লৈ বৃটিছৰ সাহার্য্য ভিক্ষা কৰে ।
- গম্ভীৰ সিঙে লেফটেনেণ্ট পেম্বার্টনৰ সহায়ত মানসকল বহিষ্কাৰ কৰি মণিপুৰ উদ্ধাৰ কৰে।
- ইয়াণ্ডাবু সন্ধিয়ে গম্ভীৰ সিঙক মণিপুৰৰ ৰজা হিচাপে স্বীকৃতি দিয়ে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইষ্ট ইণ্ডিয়া কোম্পানীৰ অসম দখল

- কেইবাটাও কাৰণত ইষ্ট ইণ্ডিয়া কোম্পানী আৰু মানৰ মাজত সংঘাতৰ সৃষ্টি হয়।
- ১৮২২ চনত মানসকলে চট্টগ্ৰামত কিছুমান ইংৰাজ লোকক বন্দী কৰে। তেওঁলোকৰ দুজনমান বন্দী অৱস্থাত মৃত্যু ঘটাত মান আৰু ইংৰাজৰ সম্পৰ্কৰ অৱনতি ঘটে।
- কোম্পানী অধিকৃত চাহপুৰীত প্ৰৱেশ কৰি মানসকলে পতাকা উত্তোলন কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



- ইংৰাজে ঢাকা আৰু গোৱালপাৰা হৈ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰবেশ কৰি অঞ্চলটো মানৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকা মুক্ত কৰাৰ সংকল্প লয়।
- ব্ৰহ্মপুত্ৰ উপত্যকাত উপস্থিত হৈ ব্ৰিটিছে ঘোষণা কৰিছিল যে তেওঁলোক বিজয়ৰ বাবে নহয় বৰঞ্চ মান আগ্ৰাসনৰ পৰা অসমক মুক্ত কৰিবলৈ আহিছে।



- গুৱাহাটীত উপস্থিত হোৱাৰ লগে লগে কর্ণেল ৰিচার্ডচনৰ বাহিনীক আহোম আভিজাত্যই আদৰণি জনায়।
- গুৱাহাটীৰ পৰা এক ঘোষণা পত্ৰ যোগেৰে ব্ৰিটিছৰ লগত অসমীয়াৰ সহযোগিতাৰ আহ্বান জনাইছিল।
- তেওঁলোকে আশ্বাস দিছিল যে তেওঁলোক মানৰ অপশাসনৰ অন্ত পেলাবলৈ আহিছে, উপনিবেশ স্থাপন কৰিবলৈ নহয়।

- **প্ৰতিশ্ৰুতি :** মানক বহিষ্কাৰ কৰি ভৱিষ্যতে বিদেশী আক্ৰমণ ৰোধ কৰিব পৰা সুস্থিৰ চৰকাৰ অসমত গঠন হ'লে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম এৰি যাব।
- ব্ৰিটিছৰ আগমনৰ লগে লগে মানসকল নামনি অসমত পৰাস্ত হৈ উজনি অসমত ঘাটি পাতে।
- হাটবৰ, কলিয়াবৰ, ৰাঙলুগড়ত দুয়োপক্ষৰ মাজত সংঘৰ্ষ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- কোম্পানী এজেণ্ট ডেভিদ স্কট, অসমলৈ আহি গুৱাহাটীৰ পৰা গোৱালপাৰালৈকে ভূখণ্ড দখল কৰিছিল।
- কর্ণেল ৱিচার্ডচন নামনি অসমৰ সামৰিক শাসনভাৰ দিয়া হয়।
- এনেদৰে ৰহাৰ পৰা কাছাৰলৈও বৃহৎ অঞ্চল কোম্পানীৰ নিয়ন্ত্রণলৈ আহিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ এনেদৰে ব্ৰিটিছৰ পূৰ্বৰ মনোভাৰ পৰিবৰ্তন হৈছিল আৰু ক্ৰমান্বয়ে অসমত স্থায়ী শাসন স্থাপন কৰিছিল ।



ব্ৰহ্মপুত্ৰ উপত্যকাত ব্ৰিটিছৰ আধিপত্য

- মানৰ শাসনৰ অধীনত অসমৰ জনজীৱন কোঙা হৈ পৰিছিল । বহুসংখ্যক অসমীয়া মানুহ ব্ৰহ্মদেশলৈ দাসত্বৰ জীৱন-যাপন কৰিব যাব লগা হৈছিল ।
- জনসংখ্যা হ্ৰাস, কৃষিভূমিৰ উচন, ৰোগব্যাধী তথা ব্যাপক ধ্বংসৰ সন্মুখীন হ'বলগীয়া হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- গৃহযুদ্ধ আৰু বিদেশী আগ্ৰাসনে অৱস্থা আৰু অধিক বেয়াৰ ফালে গতি কৰাত অৰিহনা জগাইছিল।
- কেইবাবছৰ ধৰি মানসকলে অসমভূমি নিজৰ নিয়ন্ত্ৰণত ৰাখিছিল । অসম তথা ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ মাজত ঐক্যৰ অভাৱ আছিল।
- গৃহযুদ্ধই ৰাজ্যখন দুৰ্বল আৰু মনোবলহীন কৰি তুলিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation



☛ ৰাজসিংহাসনৰ বাবে যোগ্যপ্রার্থী নথকাত ব্রিটিছে অসমৰ প্রশাসনক নিজৰ নিয়ন্ত্রণত ৰাখি পুনৰ গৃহযুদ্ধ ৰোধ কৰিবলৈ বাধ্য হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ডেভিদ স্কটৰ ভূমিকা

- ১৮২০ চনৰ নৱেম্বৰ মাহত ডেভিদ স্কটক ব্ৰহ্মপুত্ৰ উপত্যকাৰ দায়িত্ব দিয়া হয়।
- উত্তৰত ছিকিমৰ পৰা দক্ষিণে কাছাৰ আৰু চিলেটৰ পৰা সমগ্ৰ পূৰ্বাঞ্চলৰ বাবে তেওঁক গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে নিযুক্ত কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


- অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন, সম্প্ৰসাৰণ, প্ৰশাসনিক ব্যৱস্থাৰ বাবে ডেভিদ স্কটক কৃতিত্ব দিয়া হয়।
- গোৰখপুৰত এজন পঞ্জীয়ক হিচাপে কৰ্মজীৱনৰ পাতনি মেলা ডেভিদ স্কটে পিছলৈ বংগৰ বিভিন্ন জিলাত ন্যায়াধীশ আৰু উপাযুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation



- তেওঁ গোৱালপাৰা আৰু গাৰো পাহাৰৰ অসামৰিক কমিচনাৰ, আৰু চিলেট জিলাৰ ন্যায়াধীশ হিচাপেও কাম কৰিছিল।
- ডেভিদ স্কট এজন দক্ষ, দূৰদর্শী প্রশাসক হিচাপে পৰিচিত আছিল।
- প্রশাসনিক সুবিধার্থে তেওঁ অসমক উজনি অসম আৰু নামনি অসম দুটা ভাগত ভাগ কৰিছিল।



- ৰংপুৰ উজনি অসমৰ মুখ্য কার্যালয় হৈ পৰিল, নামনি অসমৰ মুখ্য কার্যালয় হৈ পৰিল গুৱাহাটী।
- ডেভিদ স্কটত প্রশাসনিক কার্য্যৰ বাবে অধিক কর্মচাৰীৰ প্রয়োজন হৈছিল ।
- উজনি অসমৰ জিলাসমূহৰ প্রশাসনৰ সহায়কাৰী হিচাপে নিউভিলক নিযুক্তি দিয়া হয় ।



☛ কেপ্তেইন আডাম হোৱাইটক নামনি অসমৰ সহায়ক (স্কটৰ) হিচাপে নিযুক্তি দিয়ে।

☛ ডেভিদ স্কটে বুজি উঠিছিল যে অসমত হঠাৎ পুৰণি ব্যৱস্থা ৰদ কৰি নতুন ব্যৱস্থা সংযোজিত কৰিলে ৰাজ্যখনক বিৰূপ প্রভাৱ পৰিব সেয়ে তেওঁ আহোম বিষয়া সকলক কিছুমান প্রশাসনিক দায়িত্বভাৰ দিছিল।

☛ কিন্তু আহোম বিষয়াসকলে বৃটিছৰ অধীনত কাম কৰাৰ পক্ষত নাছিল যাৰ ফলত বৃটিছে বংগ দেশৰ পৰা কৰ্মচাৰী আনি অসমত প্ৰশাসনীয় কামকাজ চলাইছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সামৰিক ব্যৱস্থাৰ পৰিৱৰ্তন

- ১৮২৬ চনত কোম্পানী চৰকাৰে স্থায়ী ব্রিটিছ সৈন্য প্রত্যাহাৰৰ পিছত আসাম লাইট ইনফেণ্ট্রি নামৰ সামৰিক বাহিনী গঠন কৰা হয়।
- ইয়াত হিন্দুস্তানী গোর্খা, মণিপুৰী, কিছুসংখ্যক স্থানীয় লোক অন্তর্ভুক্ত আছিল।
- ইয়াৰ এটা ভাগ বিশ্বনাথত, আনটো ভাগ শদিয়াত নিয়োজিত আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ৰাজহ ব্যৱস্থাৰ সংস্কাৰ

- ইংলেণ্ডৰ উদ্যোগসমূহত বিনিয়োগ কৰিবলৈ মূলধনৰ বাবে ৰাজহৰ ওপৰত গুৰুত্ব আৰোপ কৰি ব্রিটিছে ঔপনিৱেশিক স্বার্থক অগ্রাধিকাৰ দিছিল।
- পুঁজি সঞ্চয়ৰ বাবে অসমত আৰোপ কৰা হৈছিল নতুন কৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- প্ৰথমতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভৱিষ্যত সম্বন্ধে সিদ্ধান্ত নোলোৱাকৈ বৃটিছে এই অঞ্চলৰ ৰাজহ ব্যৱস্থাত কোনো আমূল পৰিৱৰ্তনৰ চিন্তা কৰা নাছিল।
- উজনি অসমত পাইক ব্যৱস্থা বিলুপ্ত; কৰি প্ৰতিজন লোকৰ পৰা ৩ টকা হাৰে খাজানা আদায় কৰিছিল।

- পুৰণি খেলৰ বিষয়াসকলক ৰাজহ সংগ্ৰহৰ দায়িত্ব দিছিল । হাজৰিকা, শইকীয়া, আৰু বৰা পদবীধাৰি বিষয়াৰ সহযোগত জনার্দন বৰবৰুৱাই ৰাজহ সংগ্ৰহৰ দায়িত্ব লৈছিল ।
- পিছলৈ খেলৰ বিষয়াসকলক স্থানৰ ওপৰত ভিত্তি কৰি এই ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰিছিল।
- জিলাসমূহ মৌজাত বিভক্ত কৰি বিষয়াসমূহক কৰ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছে।



- নগাঁও আৰু ৰহাৰ ৰাজহ সংগ্ৰহৰ দায়িত্ব আৰাধন ৰয় আৰু লতাপানী ফুকনৰ ওপৰত ন্যস্ত আছিল।
- ব্ৰিটিছে প্ৰাৰম্ভিক অৱস্থাত আহোম অভিজাত শ্ৰেণীৰ ওপৰত আস্থা ৰাখিছিল। তদুপৰি প্ৰশাসনিক ক্ষেত্ৰত সহযোগিতা আশা কৰিছিল।
- নামনি অসমক প্ৰত্যক্ষভাৱে ব্ৰিটিছ প্ৰশাসনৰ অধীনস্থ কৰা হৈছিল। ক্ষুদ্ৰ ৰাজ্যসমূহে (দৰং, ডিমৰীয়া, বেলতলা, ৰাণী) নিৰ্দিষ্ট ৰাজহ দিছিল।

- ডেভিদ স্কটে নামনি আৰু উজনি অসমৰ বাবে সুকীয়া ৰাজহ ব্যৱস্থাৰ ব্যৱস্থা কৰিছিল।
- নামনি অসমত পৰগনা ব্যৱস্থা বাহাল ৰখা হৈছিল। চৌধুৰী নামৰ বিষয়াৰ পৰিচালনাত একোটা পৰগনা (ৰাজহ অঞ্চল)ৰ ব্যৱস্থা কৰা হয়। চিৰস্তদাৰ, তহবিলদাৰ, পাটোৱাৰী আৰু ঠাকুৰিয়া আদি খাজনা সংগ্রহকাৰী বিষয়া নিয়োগ কৰা হয়।
- নগাঁও আৰু ৰহা অঞ্চলক সামৰি গুৱাহাটীৰ অধীনত এটা সুকীয়া গোট গঠন কৰা হল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- শিপিনী, সোণাৰী, মাছমৰীয়া, কঁহাৰ আদি বিভিন্ন বৃত্তিৰ লোকৰ ওপৰত বিভিন্ন কৰ আৰোপ কৰা হৈছিল।
- কৰমুক্ত মাটি (দেবোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ)ৰ ওপৰত কৰ আৰোপ কৰা হয়। এই মাটিৰ পৰা আধা অংশ কৰ লৈছিল। ইয়াক "বৰঙণি" বোলা হৈছিল।
- ডেভিদ স্কটৰ সময়ত কেপ্তেইন মেথিউছৰ অধীনত নামনি অসমৰ ভূমি জৰীপ সম্পূৰ্ণ হৈছিল।

- বস্তি ভূমি, ৰুপিত তথা শালি খেতি অঞ্চল ফৰিঙতি তথা আহুধান, সৰিয়হ খেতি প্ৰধান আদি অঞ্চলত ভাগ কৰা হয়।
- আফিং খেতিৰ মাটিত যথেষ্ট কৰ আৰোপ কৰা হয়। স্কটে নামনি অসমৰ পৰা ৰাজহ বৃদ্ধিৰ সম্ভাৱনাৰ তথ্য কোম্পানী প্ৰেৰণ কৰিছে। নামনি অসমৰ প্ৰতিজন পাইকক তিনি পুৰাকৈ খেতিৰ মাটি প্ৰদান কৰাৰ বাবদ তেওঁলোকৰ পৰা দুই টকাকৈ খাজনা আদায় কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- পাইকে প্ৰাপ্ত মাটি ‘গা-মাটি’ আৰু ইয়াৰ বিনিময়ত দিবলগীয়া খাজনাক ‘গা-ধন’ বুলি কোৱা হয়।
- প্ৰত্যেকজন মানুহে জনমূৰি কৰ দিব লগা হৈছিল।
- এই কৰ কামৰূপত পাইক্কৰ, দৰঙত জুহাল কৰ বা চৰু কৰ বুলি কোৱা হয়।

3. বিচাৰ ব্যৱস্থাৰ সংস্কাৰ

- ডেভিদ স্কট ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰশাসনিক দায়িত্বত আছিল।
- স্থানীয় সাধাৰণ দেৱানী আৰু ফৌজদাৰী বিবাদ চম্ভালিবলৈ স্থানীয় লোকৰ সৈতে পঞ্চায়ত গঠন কৰা হয় ।
- গুৰুতৰ অপৰাধসমূহ কমিছনাৰৰ সহকাৰী বিষয়াসকলে পঞ্চায়তৰ সহায়ত বিচাৰ কৰিছিল।



- পঞ্চায়তৰ বিচাৰত সন্তুষ্ট নোহোৱাসকলে কমিছনাৰৰ বিষয়াসকলৰ ওচৰত আপীল কৰিব পাৰিছিল। ইয়াতো অসন্তুষ্ট হ'লে প্ৰত্যেক্ষভাৱে কমিছনাৰক আপীল কৰিব পাৰিছিল। আৰু কমিছনাৰে আপীল শুনি ৰায়দান কৰিছিল।
- লখোদাৰ বৰফুকনে উজনি অসমৰ দেৱানী গোচৰ চম্ভালিছিল; ফৌজদাৰি গোচৰ চম্ভালিছিল বৃটিছ বিষয়াই।



- নামনি অসমত দুখন দেৱানী আদালত আৰু এখন ফৌজদাৰী আদালত গঠন কৰা হৈছিল।
- স্কটে আৰক্ষী ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিছিল। স্কটৰ শাসন কালত মোৱামৰীয়া, চিংফৌ আৰু খামটিসকলৰ লগত সদ্ভাৱ স্থাপিত হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- স্কটে সকলো কাম ব্যক্তিগতভাৱে তদাৰক কৰিছিল। অত্যেধিক পৰিশ্রমৰ বাবে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু ১৮৩১ চনত তেওঁৰ মৃত্যু হয়।
- অসমৰ ইতিহাসত সন্মানীয় স্থান লাভ কৰা এজন দক্ষ প্রশাসক হিচাপে স্কটৰ শাসন কাল বিশেষভৱে স্মৰণীয়।

মূল্যায়ন



১ | ডেভিদ স্কট কোন আছিল ?



মূল্যায়ন





২। জনমূৰি কৰক কামৰূপত পাইক কৰ..... বুলি কোৱা হৈছিল।